**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 06-05-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

## HEADLINES

**::::::::::::::::::**

১। ভাৰত আৰু পাকিস্তানৰ মাজৰ সাম্প্ৰতিক পৰিস্থিতি সন্দৰ্ভত ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদে ৰুদ্ধদ্বাৰ বৈঠক আৰম্ভ কৰিছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি নতুন দিল্লীত তেওঁৰ কাৰ্যালয়ত কেন্দ্ৰীয় তদন্তকাৰী সংস্থা, চিবিআইৰ সঞ্চালকক নিযুক্তি দিয়াৰ বাবে থকা তিনিজনীয়া কমিটীখনৰ বৈঠকত অধ্যক্ষতা কৰে।

৩। গৃহ মন্ত্ৰালয়ে অসামৰিক প্ৰতিৰক্ষা প্ৰস্তুতিৰ মূল্যাংকনৰ বাবে বিশেষ মকড্ৰিল কৰাবলৈ ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলসমূহক নিৰ্দেশ দিছে।

৪। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ দেলহী কেপিটেলছ্ আৰু ছানৰাইজাৰ্ছ হায়দৰাবাদৰ মাজত যোৱা নিশা হায়দৰাবাদত অনুষ্ঠিত খেলখন বৰষুণৰ বাবে ইনিংছ ব্ৰেকৰ সময়ত পৰিত্যক্ত ঘোষিত হয়। ***আৰু***

৫। চীনৰ ঝাও ঝিনটং এছিয়াৰ প্ৰথমগৰাকী বিশ্ব স্নুকাৰ চেম্পিয়ন হিচাপে পৰিগণিত হৈছে।

০০০০০

ভাৰত আৰু পাকিস্তানৰ মাজৰ সাম্প্ৰতিক পৰিস্থিতি সন্দৰ্ভত ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদে ৰুদ্ধদ্বাৰ বৈঠক আৰম্ভ কৰিছে। ৰাষ্ট্ৰসংঘৰ নিৰাপত্তা পৰিষদৰ ১৫ খন সদস্য ৰাষ্ট্ৰৰ অস্থায়ী সদস্য পাকিস্তানে এই বৈঠকৰ বাবে অনুৰোধ জনাইছিল। চলিত মাহৰ বাবে পৰিষদৰ অধ্যক্ষতাৰ দায়িত্ব বহন কৰি থকা গ্ৰীচে পৰিষদৰ কক্ষৰ কাষতে পৰামৰ্শৰ বাবে থকা এটা কোঠাত এই বৈঠকৰ তদাৰক কৰে। বৈঠকত মধ্য প্ৰাচ্য, এছিয়া আৰু প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ ৰাজনৈতিক শান্তি পৰিক্ৰমা আৰু শান্তি অভিযান বিভাগৰ সহকাৰী সচিবপ্ৰধান খালেদ মহম্মদ খিয়াৰিয়ে গ্ৰীচক দুয়োখন ৰাষ্ট্ৰৰ পৰিস্থিতি সন্দৰ্ভত অৱগত কৰে।

ইপিনে ৰাষ্ট্ৰসংঘৰ সচিবপ্ৰধান এণ্ট'নিয় গুটেৰেছে কালি ৰুদ্ধদ্বাৰ বৈঠকত মিলিত হোৱাৰ পূৰ্বে দুয়োখন দেশকে সংযম ৰক্ষা কৰি চলিবলৈ আহ্বান জনায়। নিউয়ৰ্কত থকা ৰাষ্ট্ৰসংঘৰ মুখ্য কাৰ্যালয়ত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত সচিবপ্ৰধানগৰাকীয়ে পেহেলগামত সংঘটিত আক্ৰমণৰ ঘটনাৰ পাছত বৃদ্ধি পোৱা উত্তেজনাৰ ফলত ভাৰত আৰু পাকিস্তানৰ মাজত সামৰিক সংঘৰ্ষৰ সৃষ্টি হ'ব পাৰে বুলি উদ্বেগ প্ৰকাশ কৰে। ইপিনে পেহেলগামত সংঘটিত আক্ৰমণৰ ঘটনাক পুনৰবাৰ গৰিহণা দি সচিবপ্ৰধানগৰাকীয়ে সাধাৰণ নাগৰিকক আক্ৰমণৰ লক্ষ্য কৰি লোৱাটো কোনোপধ্যেই গ্ৰহণযোগ্য নহয় বুলি প্ৰকাশ কৰে। তেওঁ লগতে শান্তিৰ হকে কূটনীতিকে ধৰি যিকোনো উদ্যমৰ বাবে ৰাষ্ট্ৰসংঘ সাজু বুলি জানিবলৈ দিয়ে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি নতুন দিল্লীত তেওঁৰ কাৰ্যালয়ত কেন্দ্ৰীয় তদন্তকাৰী সংস্থা, চিবিআইৰ সঞ্চালকক নিযুক্তি দিয়াৰ বাবে থকা তিনিজনীয়া কমিটীখনৰ বৈঠকত অধ্যক্ষতা কৰে। বৈঠকত কমিটীখনৰ

আন দুগৰাকী সদস্য দেশৰ মুখ্য ন্যায়াধীশ সঞ্জীৱ খান্না আৰু লোকসভাত বিৰোধী দলৰ নেতা ৰাহুল গান্ধী উপস্থিত থাকে।

বৈঠকত সংস্থাৰ পৰৱৰ্তী সঞ্চালকক নিযুক্তি দিয়াৰ বিষয়ে আলোচনা কৰা হয়। চলিত মাহৰ ২৫ তাৰিখে সংস্থাৰ বৰ্তমানৰ সঞ্চালক প্ৰবীন ছুডৰ দুবছৰীয়া কাৰ্যকালৰ অন্ত পৰিব।

উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰীৰ নেতৃত্বত দেশৰ মুখ্য ন্যায়াধীশ আৰু লোকসভাত বিৰোধী দলৰ নেতাৰে গঠিত এখন তিনিজনীয়া কমিটীৰ পৰামৰ্শ অনুযায়ী কেন্দ্ৰীয় চৰকাৰে কেন্দ্ৰীয় তদন্তকাৰী সংস্থাৰ সঞ্চালকক নিযুক্তি দিয়ে।

ooooo

বিধি বলৱৎকাৰী সঞ্চালকালয়ে বেংক জালিয়াতিৰ গোচৰত জড়িত থকাৰ অভিযোগত কনকাষ্ট ষ্টিল এণ্ড পাৱাৰ লিমিটেড আৰু ইয়াৰ মুখ্য পৰিচালন সঞ্চালক সঞ্জয় কুমাৰ সুৰেখাৰ ২৯৬ কোটি টকাৰো অধিক পৰিমাণৰ সম্পত্তি বাজেয়াপ্ত কৰিছে। এই সম্পত্তিসমূহৰ ভিতৰত- পশ্চিমবংগ, ওড়িশা আৰু ঝাৰখণ্ডত থকা ভূমি সম্পত্তিসমূহ অন্যতম। বিধি বলৱৎকাৰী সঞ্চালকালয়ে এই গোচৰ সন্দৰ্ভত অধিক তথ্যৰ বাবে তদন্ত অব্যাহত ৰাখিছে।

সঞ্চালকালয়ে লগতে ৰিয়েল ষ্টেট কেলেংকাৰিৰ সৈতে জড়িত থকাৰ অভিযোগত ডব্লিউ টি চি ফৰিদাবাদ ইনফ্ৰাষ্ট্ৰাকচাৰ প্ৰাইভেট লিমিটেড আৰু অন্যান্য প্ৰতিষ্ঠানৰ দুহেজাৰ ৩৪৮ কোটি টকাৰো অধিক মূল্যৰ সম্পত্তি বাজেয়াপ্ত কৰিছে। বাজেয়াপ্ত সম্পত্তিসমূহৰ ভিতৰত ৰাষ্ট্ৰীয় ৰাজধানীক্ষেত্ৰ দিল্লী, গুৰুগ্ৰাম, ফৰিদাবাদ, নয়দা আৰু গোৱাত থকা ভূমি আৰু বিক্ৰী নোহোৱাকৈ থকা সম্পত্তি আছে বুলি সঞ্চালকালয়ে প্ৰকাশ কৰিছে।

ooooo

গৃহ মন্ত্ৰালয়ে অসামৰিক প্ৰতিৰক্ষা প্ৰস্তুতিৰ মূল্যায়নৰ বাবে কাইলৈ মকড্ৰিল অথবা বিশেষ অনুশীলন কৰাবলৈ ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলসমূহক নিৰ্দেশ দিছে। সেই অনুসৰি মন্ত্ৰালয়ে দেশৰ ২৪৪ খন অসামৰিক প্ৰতিৰক্ষা জিলাত অসামৰিক প্ৰতিৰক্ষা অনুশীলন অনুষ্ঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। এই অনুশীলন গাঁও পৰ্যায়লৈ কৰাৰ বাবে পৰিকল্পনা কৰা হৈছে। কেন্দ্ৰীয় গৃহসচিব গোবিন্দ মোহনে অসামৰিক প্ৰতিৰক্ষা মকড্ৰিল সন্দৰ্ভত আজি ৰাজ্যসমূহৰ মুখ্য সচিবসকলৰ সৈতে আলোচনাত মিলিত হোৱাৰ কথা আছে।

বিমানৰ সতৰ্কতা ব্যৱস্থাৰ লগতে ভাৰতীয় বায়ুসেনাৰ বাহিনীৰ সৈতে হটলাইন অথবা ৰেডিঅ' সংযোগ ব্যৱস্থাৰ কাৰ্যকৰীকৰণৰ মূল্যায়ন কৰা আৰু নিয়ন্ত্ৰণ কক্ষৰ কাৰ্যক্ষমতা পৰীক্ষণ কৰাটোৱেই হৈছে এই মকড্ৰিল অথবা বিশেষ অনুশীলনৰ প্ৰাথমিক উদ্দেশ্য। এই অনুশীলনৰ সময়ত যিকোনো দুৰ্যোগ অথবা আক্ৰমণৰ পৰা নিজকে সুৰক্ষিত ৰখাৰ ক্ষেত্ৰত অসামৰিক প্ৰতিৰক্ষাৰ বিভিন্ন কৌশল অৱলম্বন সন্দৰ্ভত অসামৰিক লোক আৰু ছাত্ৰ-ছাত্ৰীসকলক প্ৰশিক্ষণ প্ৰদানৰো ব্যৱস্থা কৰা হৈছে।

ooooo

কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে কালি তেলেংগানাত ৬ হাজাৰ এশ কোটি টকা ব্যয়ৰে নিৰ্মাণ কৰা ৰাষ্ট্ৰীয় ঘাইপথৰ সৈতে জড়িত ভালেমান প্ৰকল্প উদ্বোধন কৰাৰ লগতে আন ভালেকেইটা প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। হায়দৰাবাদৰ আম্বেৰপেতত কালি বিয়লি এখন জনসভা সম্বোধন কৰি শ্ৰীগাডকাৰীয়ে অদূৰ ভৱিষ্যতে ৰাজ্যখনত পথ সংযোগে অধিক গতি লাভ কৰিব বুলি নিশ্চিতি

প্ৰদান কৰে। হায়দৰাবাদ-বিজয়ৱাড়া সংযোগী ৰাষ্ট্ৰীয় ঘাইপথত পৰৱৰ্তী তিনিটা মাহৰ ভিতৰত ১০ হাজাৰ কোটি টকা ব্যয়ৰে ছয়লেনযুক্ত কৰি তোলাৰ কাম আৰম্ভ হ'ব বুলি তেওঁ সভাত ঘোষণা কৰে। তেওঁ লগতে তেলেংগানা আৰু অন্ধ্ৰপ্ৰদেশৰ মাজৰ কৃষ্ণা নদীৰ ওপৰত এখন কাচৰ দলঙো নিৰ্মাণ কৰা হ'ব বুলি ঘোষণা কৰে।

তেলেংগানা আৰু হায়দৰাবাদে দেশৰ উন্নয়নত অন্যতম ভূমিকা গ্ৰহণ কৰি আহিছে বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে পৰৱৰ্তী ২-৩টা বছৰৰ ভিতৰত তেলেংগানাত ২ লাখ কোটি টকা ব্যয়েৰে ভালেমান উন্নয়নমূলক প্ৰকল্প ৰূপায়ণ কৰা হ'ব বুলি জানিবলৈ দিয়ে।

ooooo

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অসম, অৰুণাচল প্ৰদেশ, মেঘালয়, গুজৰাট, অন্ধ্ৰপ্ৰদেশ, সৌৰাষ্ট্ৰ, তামিলনাডু, পুডুচেৰী, উত্তৰাখণ্ড আৰু পশ্চিম ৰাজস্থানৰ বিভিন্ন অঞ্চলত আজি মুষলধাৰ বৰষুণৰ আগলি বতৰা জাৰি কৰিছে। ইপিনে দিল্লী, মহাৰাষ্ট্ৰ, ওড়িশা, তামিলনাডু, পুডুচেৰী, তেলেংগানা, পঞ্জাব, ছিকিম আৰু পশ্চিমবংগৰ বিভিন্ন অঞ্চলত বিভাগে পৰৱৰ্তী দুই-তিনি দিনত প্ৰবল বতাহৰ লগতে ধুমুহা বৰষুণৰ সতৰ্কবাণী জাৰি কৰিছে। বিভাগে আজি পূব মধ্যপ্ৰদেশ, মধ্য মহাৰাষ্ট্ৰ আৰু উত্তৰাখণ্ডৰ বিভিন্ন অঞ্চলত শিলাবৃষ্টি হ'ব পাৰে বুলি প্ৰকাশ কৰিছে। ইপিনে বিভাগে পৰৱৰ্তী দুটা দিনৰ ভিতৰত ৰাজস্থানত ধূলিৰ ধুমুহা বলিব বুলিও আগতীয়া সতৰ্কবাণী জাৰি কৰিছে।

ooooo

চীনৰ ঝাও ঝিনটং এছিয়াৰ প্ৰথমগৰাকী বিশ্ব স্নুকাৰ চেম্পিয়ন হিচাপে পৰিগণিত হৈছে। কালি অনুষ্ঠিত ফাইনেলত ২৮ বছৰীয়া খেলুৱৈগৰাকীয়ে তিনিবাৰৰ বিশ্ব চেম্পিয়ন মাৰ্ক উইলিয়ামছৰ বিৰুদ্ধে ১৮-১২ ফলাফলত বিজয় অৰ্জন কৰি এই কৃতিত্ব লাভ কৰে।

ooooo

ভাৰতৰ শীৰ্ষস্থানৰ খেলুৱৈ জ্যোতি সুৰেখা ভেন্নম আৰু দীপিকা কুমাৰীয়ে আজিৰ পৰা চীনৰ ছাংহাইত হ'বলগীয়া চলিত বৰ্ষৰ আৰ্চাৰী বিশ্বকাপ প্ৰতিযোগিতাৰ দ্বিতীয় পৰ্যায়ত দেশৰ প্ৰত্যাশাৰ ভৰ বহন কৰিব। ভাৰতৰ ১৬ জনীয়া দলটোত ৮ গৰাকীকৈ পুৰুষ আৰু মহিলা খেলুৱৈ আছে। খেলুৱৈসকলে অহা ১১ মে'লৈ চলিবলগীয়া প্ৰতিযোগিতাখনৰ কম্পাউণ্ড আৰু ৰিকাৰ্ভ শিতানৰ খেলসমূহত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব।

প্ৰতিযোগিতাত কম্পাউণ্ড শিতানৰ সাম্প্ৰতিক বিশ্ব চেম্পিয়নদ্বয় ওজাছ দেওতালে আৰু আদিতি স্বামীয়েও ভাৰতৰ হৈ শ্ৰেষ্ঠত্ব উজাৰি দিয়াৰ প্ৰয়াস কৰিব।

আৰ্চাৰী বিশ্বকাপ প্ৰতিযোগিতা চাৰিটা পৰ্যায়ত ভিন ভিন দেশত অনুষ্ঠিত হয়। প্ৰতিটো পৰ্যায়ৰ ভিন ভিন শাখাৰ শীৰ্ষ ৮ গৰাকী খেলুৱৈয়ে প্ৰতিযোগিতাৰ ফাইনেললৈ যোগ্যতা অৰ্জন কৰে। প্ৰতিযোগিতাৰ পৰৱৰ্তী দুটা পৰ্যায় জুন আৰু জুলাইত ক্ৰমে তুৰস্ক আৰু স্পেইনত অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাৰ ফাইনেল অক্টোবৰত চীনৰ নানজিঙত অনুষ্ঠিত হ'ব।

ooooo

বিশ্বক্ৰমৰ প্ৰাক্তন শীৰ্ষস্থানৰ খেলুৱৈ কিদাম্বি শ্ৰীকান্তৰ লগতে উদীয়মান খেলুৱৈ অনমোল খাৰ্ব আৰু উন্নতী হুডাই আজিৰ পৰা চীনা টাইপেইত আৰম্ভ হ'বলগীয়া চলিত বৰ্ষৰ টাইপেই অপেন বেডমিণ্টন প্ৰতিযোগিতাত ভাৰতৰ হৈ প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। প্ৰতিযোগিতাত ভাৰতৰ আকৰ্ষি কাশ্যপে হুং য়ি-টিঙৰ বিৰুদ্ধে প্ৰথমখন খেল খেলিব। ইপিনে মহিলাৰ ডাবলছত ৰশ্মি গণেশ আৰু ছানিয়া ছিকগুৰৰ যুটীটোৱে

দেশলৈ সাফল্য কঢ়িয়াই অনাৰ বাবে আপ্ৰাণ প্ৰয়াস চলাব। অৱশ্যে প্ৰতিযোগিতাখনত ভাৰতৰ আগশাৰী খেলুৱৈ লক্ষ্য সেন, এইচ এছ্ প্ৰণয়, পি ভি সিন্ধু, স্বাত্বিক ছাইৰাজ ৰণকিৰেড্ডী, ছিৰাগ চেট্টী আদিয়ে অংশগ্ৰহণ কৰা নাই।

ooooo

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ দেলহী কেপিটেলছ আৰু ছানৰাইজাৰ্ছ হায়দৰাবাদৰ মাজত যোৱা নিশা হায়দৰাবাদত অনুষ্ঠিত খেলখন বৰষুণৰ বাবে ইনিংছ ব্ৰেকৰ সময়ত পৰিত্যক্ত ঘোষিত হয়। ফলত দুয়োটা দলেই এক পইণ্টকৈ লাভ কৰে যদিও প্লে অফ পৰ্যায়ৰ দৌৰৰ পৰা হায়দৰাবাদে বিদায় লয়। ইপিনে দেলহী কেপিটেলছ সম্প্ৰতি পইণ্ট তালিকাৰ পঞ্চম স্থানত আছে।

কালিৰ খেলখনত প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি দিল্লীয়ে নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেট হেৰুৱাই ১৩৩ ৰান সংগ্ৰহ কৰে। হায়দৰাবাদৰ অধিনায়ক পেট কামিন্সে ৩টা উইকেট দখল কৰে। অৱশ্যে বৰষুণৰ বাবে হায়দৰাবাদে বেট ধৰাৰ পৰা বঞ্চিত হয়।

প্ৰতিযোগিতাত আজি মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত মুম্বাই ইণ্ডিয়ানছ গুজৰাট টাইটানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ooooo

সমাপ্ত